# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 20-07-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - - - - - - - - -

অসম চৰকাৰৰ জলসম্পদ আৰু তথ্য-জনসংযোগ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই আজি কাছাৰ জিলাৰ কাতিগড়া বিধানসভা সমষ্টিৰ অন্তৰ্গত ভাৰত বাংলাদেশ সীমান্ত ভ্ৰমণ কৰি কেইবাখনো শ্লুইছ গেট পৰিদৰ্শন কৰে। সমষ্টিটোত সীমান্ত পথ সংস্থাই নিৰ্মাণ কৰা ৬ খন শ্লুইছ গেট জলসম্পদ বিভাগে ২০২২ চনৰ পৰা পৰিচালনা কৰি আহিছে। আজি মন্ত্ৰীগৰাকীয়ে বলেশ্বৰ আৰু ফইস্কা শ্লুইচগেট পৰিদৰ্শন কৰি বিভাগীয় অভিযন্তা আৰু স্থানীয় নিৰাসীৰ পৰা গেটকেইখনৰ কাৰ্য ব্যৱস্থাৰ বিষয়ে বুজ লয়। শ্লুইচগেট কেইখনৰ ৪০ খন শ্বাটাৰৰ ৩৩ খন বৰ্তমান কাৰ্যক্ষম হৈ থকা বুলি জানিবলৈ পোৱা গৈছে। বিসংগতিপূৰ্ণ ৭ খন শ্বাটাৰৰ মেৰামতিৰ ব্যৱস্থা বাৰিষাৰ পাছতে সম্পন্ন কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে স্থানীয় ৰাইজক জানিবলৈ দিয়ে। ইয়াৰ লগতে মন্ত্ৰীগৰাকীয়ে সমষ্টিটোৰ ছয়োখন শ্লুইছগেট নিয়মীয়াকৈ চোৱাচিতা কৰিবলৈ স্থানীয় ৰাইজৰ ৬ খন কমিটি গঠন কৰি দিব বুলি ঘোষণা কৰে। কমিটিসমূহক শ্লুইছগেট চোৱাচিতা কৰাৰ বাবে বাৰ্ষিক ২৫ ৰ পৰা ৫০ হাজাৰ টকাকৈ পুঁজি যোগান ধৰা হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

জলসম্পদ মন্ত্ৰীগৰাকীয়ে পাছত জিলাখনৰ বৰখোলাত উপস্থিত হৈ জাতিঙ্গা নৈৰ খহনীয়া পৰিদৰ্শন কৰে। খহনীয়া ৰোধৰ বাবে মন্ত্ৰী শ্ৰীহাজৰিকাই প্ৰয়োজনীয় কাৰ্যপন্থা গ্ৰহণ কৰিবলৈ বিভাগীয় অভিযন্তাক নিৰ্দেশ দিয়ে। ০০০০

০০০০০

অসমৰ শেহতীয়া বানত হোৱা ক্ষয়-ক্ষতিৰ বুজ ল'বলৈ কেন্দ্ৰীয় চৰকাৰৰ কেইবাটাও প্ৰতিনিধি দল আজি ৰাজ্যত উপস্থিত হয়। কেন্দ্ৰীয় শক্তি মন্ত্ৰালয়, পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়, গ্ৰামোন্নয়ন তথা কেন্দ্ৰীয় মীন মন্ত্ৰালয়ৰ প্ৰতিনিধিৰে গঠিত ইয়াৰে এটা দলে মাজুলীৰ শালমৰা আৰু জুগুনিধাৰী অঞ্চল দুটা পৰিদৰ্শন কৰাৰ অন্তত জিলাখনৰ সকলো বিভাগৰ মুৰববী বিষয়াসকলৰ সৈতে জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন বৈঠকত মিলিত হয়। বৈঠকখনত প্ৰতিনিধি দলটোৱে বানত হোৱা ক্ষয়-ক্ষতিৰ পৰিমাণৰ লগতে ক্ষতিগ্ৰস্ত লোকসকলক সকাহ দিবলৈ বিভাগসমূহে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে বুজ লয়। বৈঠকত জিলা আয়ুক্ত ড০ কাবেৰী বি শৰ্মাই জিলাখনৰ জনগাঁথনি, ভৌগোলিক পৰিসীমা আদিৰ বিষয়ে ব্যাখ্যা কৰাৰ লগতে জিলা প্ৰশাসনৰ অধীনৰ বিভাগসমূহে কৰি থকা কাম-কাজৰ বিষয়ে দলটোক অৱগত কৰে।

ইপিনে আন এটা প্ৰতিনিধি দলে আজি নগাঁৱত উপস্থিত হৈ জিলাখনৰ নগাঁও সদৰ ৰাজহ চক্ৰ আৰু কামপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত কেইবাটাও বান ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰে। তদুপৰি গৃহ মন্ত্ৰালয়ৰ যুটীয়া সচিব, জনশক্তি মন্ত্ৰালয়ৰ অধীক্ষক-অভিযন্তা, মৰাপাট উন্নয়ন সঞ্চালকালয়, কৃষি আৰু কৃষক কল্যাণ বিভাগৰ

সঞ্চালক তথা ব্যয় বিভাগ, বিত্ত মন্ত্ৰ্যালয়ৰ অৱৰ সচিবেৰে গঠিত দলটোৱে জিলা আয়ুক্তৰ সভাকক্ষত জিলাখনৰ বিভিন্ন বিভাগীয় মুৰব্বী বিষয়াসকলৰ সৈতে এখন বৈঠকত অংশগ্ৰহণ কৰে। ইয়াৰ লগতে দলটোৱে নগাঁও পলিটেকনিকত স্থাপন বান সাহায্য শিবিৰ,কেঁকুৰিবাৰীৰ খহনীয়াত ক্ষতিগ্ৰস্ত অঞ্চল আৰু কলাইখোৱাৰ পলশাতো ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰাৰ উপৰি স্থানীয় ৰাইজৰ সৈতে মত বিনিময় কৰে। উল্লেখ্য যে প্ৰতিনিধি দলকেইটাই অসমৰ পৰা উভতি গৈ কেন্দ্ৰীয় চৰকাৰক বিস্তৃত প্ৰতিবেদন দাখিল কৰিব।

০০০০০

উত্তৰ প্ৰদেশৰ গোণ্ডাৰ সমীপত দুৰ্ঘটনাগ্ৰস্ত চণ্ডীগড়-ডিব্ৰুগড় এক্সপ্ৰেছ ৰে'লগাড়ীখনৰ তিনিচুকীয়া জিলাৰ যাত্ৰীসকল আজি জিলাখনত আহি উপস্থিত হয়। তিনিচুকীয়া জিলা প্ৰশাসনে যাত্ৰীসকলক সকলো ধৰণৰ সহায়ৰ হাত আগবঢ়ায়। উল্লেখযোগ্য যে যোৱা ১৮ জুলাইত ৰেল'গাড়ীখনৰ ২১টা দবা বাগৰি পৰাত ৪জন যাত্ৰীৰ প্ৰাণহানি হোৱাৰ লগতে আন ৩০ জন আহত হৈছিল। ৰে'লখনত থকা তিনিচুকীয়া জিলাৰ ২৯ গৰাকী যাত্ৰীৰ ৪ গৰাকীৰ সামান্য পৰিমাণে আঘাতপ্ৰাপ্ত হৈছিল। আজি যাত্ৰীসকল তিনিচুকীয়া ৰে'ল ষ্টেচনত আহি উপস্থিত হোৱাৰ পাছত জিলা আয়ুক্ত স্বপ্নীল পালৰ নিৰ্দেশত কাৰ্যবাহী দণ্ডাধীশে তেওঁলোকৰ স্বাস্থ্যৰ বুজ লয়।

০০০০০

ৰাজ্যৰ বিভিন্ন ঠাইত মহৰ প্ৰাদুৰ্ভাৰ ৰোধ কৰিবলৈ বিভিন্ন কাৰ্যপন্থা হাতত লোৱা হৈছে। ডিব্ৰুগড় জিলা প্ৰশাসনে বানাক্ৰান্ত অঞ্চলৰ লগতে বিভিন্ন ঠাইত ধোঁৱা দিয়াৰ ব্যৱস্থা কৰিছে। বানৰ পাছত মহে বিয়পাব পৰা মেলেৰীয়া, জাপানীছ এনচেফেলাইটিছ, ডেংগু ইত্যাদি ৰোগসমূহ প্ৰতিহত কৰিবলৈ জিলা প্ৰশাসনে এই কাৰ্যপন্থা গ্ৰহণ কৰিছে। ইফালে মৰিগাওঁ জিলাতো শিক্ষা বিষয়াৰ কাৰ্যালয়ত জাপানীজ এনচেফেলাইটিছ, ডেংগু, মেলেৰীয়া আদি বাহকজনিত ৰোগৰ বিষয়ে এখন সজাগতা সভা অনুষ্ঠিত কৰা হয়। বানপানীৰ পৰৱৰ্তী সময়ত প্ৰদূষিত পানী আৰু মহে বিয়পাব পৰা ৰোগসমূহৰ লক্ষণ আৰু প্ৰতিৰোধৰ ব্যৱস্থাৰ বিষয়ে সভাখনত সমবেত ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলক অৱগত কৰা হয়।

০০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান**ৰ অধীনত অসমৰ কেইবাখনো জিলাত কাৰ্যসূচী অব্যাহত আছে। এই উপলক্ষে আজি ধুবুৰী জিলাৰ বীৰসিং জৰোৱা উন্নয়ন খণ্ডৰ অধীনত বীৰসিং গাঁও পঞ্চায়তৰ কাৰ্যালয়ত স্বাস্থ্য আৰু কৃষি বিভাগে বিভিন্ন সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰে। সম্পূৰ্ণতা অভিযানৰ কাৰ্যসূচীৰ অধীনত স্বাস্থ্য বিভাগে গ্ৰহণ কৰা সজাগতামূলক অনুষ্ঠানত ৰাইজৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে মহিলা আৰু শিশুক উন্নত চিকিৎসা প্ৰদানৰ ব্যৱস্থা তথা পুষ্টিকৰ খাদ্য যোগানৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। কৃষি বিভাগে গ্ৰহণ কৰা কাৰ্যসূচীত মাটিৰ গুণাগুণ পৰীক্ষাকৰণ, ফলমূলৰ খেতি, ৰেচম পালন ইত্যাদি বিভিন্ন স্বাৱলম্বনৰ আধাৰ বিষয়ত সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰা হয়। সম্পূৰ্ণতা অভিযানৰ কাৰ্যসূচীত ধুবুৰী জিলাৰ অতিৰিক্ত আয়ুক্ত, বীৰসিং স্বাস্থ কেন্দ্ৰৰ চিকিৎসক, ধুবুৰী জিলা কৃষি বিভাগৰ সহকাৰী উন্নয়ন বিষয়াকে ধৰি বিভিন্ন বিভাগৰ বিষয়া কৰ্মচাৰীসকল উপস্থিত থাকে।

০০০০০

সমাপ্ত